No. of Printed Pages—4

843 (ASM5B)

[20-HRGPNW–D5S(N)21A]

BA 5th Semester (New) Exam., 2020 (W)

ASSAMESE

[GAS S5–02 (M)]

(অসমীয়া নাটক)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : 1×8=8

(i) ৰামচৰণ ঠাকুৰৰ কোনখন চৰিত পুথিত 'পাৰিজাত হৰণ' নাটখনি ৰচনা কৰাৰ কথা উল্লেখ আছে ? কেতিয়া ৰচনা কৰিছিল বুলি উল্লেখ আছে ?

(ii) মাধৱদেৱৰ 'ভোজন-বেহাৰ' ঝুমুৰাখনিৰ আধাৰ গ্ৰন্থখনৰ নাম কি ?

(iii) শ্ৰীৰাম আতাৰ গীতসমূহত শংকৰ-মাধৱৰ উপৰি কাৰ, কোনখন গ্ৰন্থৰ প্ৰভাৱ অনুভূত হয় ?

(iv) কোনে কোনে শ্বেইক্সপীয়েৰৰ 'কমেডী অৱ এৰৰচ' নাটকখন 'ভ্ৰমৰংগ' নামেৰে অনুবাদ কৰিছিল ?

(v) 'কাৰেঙৰ লিগিৰী' নাটকখনৰ শেৱালিয়ে নগা পাহাৰত লগ পোৱা চৰিত্ৰকেইটাৰ নাম কি কি ?

(vi) কোনখন নাটকেৰে মহেন্দ্ৰ বৰঠাকুৰে নাট্যকাৰ হিচাপে ভুমুকি মাৰিছিল ?

(vii) মহেন্দ্ৰ বৰঠাকুৰৰ 'জন্ম' নাটকখনত উল্লেখ থকা 'শুকান হাড়'ডালক আমি কিহৰ প্ৰতীক বুলি ক'ব পাৰোঁ ?

(viii) অৰুণ শৰ্মাৰ 'কুকুৰনেচীয়া মানুহ' নাটকখনৰ মূল বক্তব্য কি ?

(b) খালী ঠাই পূৰণ কৰক : 1×4=4

(i) অৰুণ শর্মাৰ 'অন্য এক অধ্যায়' নাটকখনৰ পটভূমি হ'ল _____ _____ আৰু চিন্তা।

(ii) মহেন্দ্ৰ বৰঠাকুৰে পশ্চাৎ অৱলোকনৰ পৰিৱর্তে _____ _____ ধাৰণা ব্যৱহাৰ কৰি 'জন্ম' নাটকখন লিখিছিল।

(iii) বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ জীৱনৰ আধাৰত মহেন্দ্ৰ বৰঠাকুৰে ৰচনা কৰা নাটকখনৰ নাম _____।

(iv) _____ _____ নাটকখনৰ চতুর্থ অংকৰ সৈতে 'কাৰেঙৰ লিগিৰী' নাটকখনৰ চতুর্থ অংকৰ ভাব-ভাষা-পৰিৱেশৰ মিল আছে।

(c) তলত দিয়াবোৰৰ শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) 'পাৰিজাত হৰণ' নাটখনিত নাৰদে কৃষ্ণৰ হাত দিয়া পাৰিজাত ফুলপাহ পিন্ধাই দিছিল

1. সত্যভামাক
2. ৰুক্মিণীক
3. ৰাধাক
4. অদিতিক

(ii) তলত উল্লেখ কৰা কোনটো ঝুমুৰাৰ বৈশিষ্ট্য নহয় ?

1. শিশুকৃষ্ণ ইয়াৰ প্ৰধান চৰিত্ৰ
2. ভটিমাৰ কম প্ৰয়োগ
3. গীতৰ ভাষা ব্ৰজাৱলী
4. পঞ্চসন্ধি দৃষ্টিগোচৰ নহয়

(iii) শ্ৰীৰাম আতাই ৰচনা কৰা 'সুভদ্ৰাহৰণ' নাটখনিৰ মূল

1. ৰামায়ণ
2. মহাভাৰত
3. ৰামায়ণ আৰু মহাভাৰত
4. ভাগৱত পুৰাণ আৰু মহাভাৰত

(iv) তলত উল্লেখ কৰা কোনখন নাটকত মহাকাব্যিক নাটকৰ শৈলী প্ৰয়োগ হোৱা নাই ?

1. আহাৰ
2. আজি
3. এজন ৰজা আছিল
4. হনুমান সাগৰ বান্ধা চাঁউ

2. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) কোন পাঁচখন নাটকেৰে আধুনিক অসমীয়া নাটকৰ শুভাৰম্ভ ঘটিছিল ?

(b) মহেন্দ্ৰ বৰঠাকুৰৰ নাটকসমূহৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰক।

(c) মহেন্দ্ৰ বৰঠাকুৰৰ নাট্যকৃতি সম্পৰ্কে এটি টোকা লিখক।

(d) অৰুণ শৰ্মাৰ 'বুৰঞ্জীপাঠ' নাটকখনৰ বিষয়বস্তু আৰু উপস্থাপন পদ্ধতি সম্পৰ্কে লিখক।

(e) অৰুণ শৰ্মাৰ নাটকৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰক।

(f) 'সন্ধিক্ষণ' নাটকখনৰ বিষয়বস্তু সম্পৰ্কে এটি টোকা লিখক।

3. তলৰ যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) : 4×6=24

(a) মুনীন ভূঞাৰ নাট্যকৃতি সম্পৰ্কে এটি আলচ যুগুত কৰক।

(b) 'জন্ম' নাটকখনৰ নাটকীয় কলা-কৌশলৰ প্ৰয়োগৰ বিষয়ে চমুকৈ লিখক।

(c) কিহৰ ভিত্তিত 'কাৰেঙৰ লিগিৰী' নাটকখনক অসমীয়া সাহিত্যত এক শ্ৰেষ্ঠতম কৃতি বুলি বিবেচনা কৰা হয়, বিচাৰ কৰক।

(d) প্ৰাক্-স্বাধীনতা কালৰ সামাজিক নাটক সম্পৰ্কে এটি চমু আলোচনা প্ৰস্তুত কৰক।

(e) 'সুভদ্ৰাহৰণ' নাটখনিৰ ৰস বিচাৰ কৰক।

(f) 'পিম্পৰা গুচোৱা' নাটখনিত শিশুকৃষ্ণৰ দ্বৈতচৰিত্ৰ ফুটাই তোলাত নাট্যকাৰ কিমানদূৰ সফল হৈছে, আলোচনা কৰক।

(g) 'পাৰিজাত হৰণ' নাটখনিৰ নাৰদ চৰিত্ৰটোৰ বিষয়ে এটি টোকা লিখক।

4. তলত দিয়া যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×5=30

(a) শংকৰোত্তৰ যুগৰ অংকীয়া নাট সম্পৰ্কে বহলাই আলোচনা কৰক।

(b) 'জন্মযাত্ৰা' নাটকখনৰ বিষয়বস্তু সম্পৰ্কে লিখি চৰিত্ৰ-চিত্ৰণৰ বিষয়ে লিখক।

(c) অসমীয়া নাটকত লোককলাৰ উপাদানৰ প্ৰয়োগ সম্পৰ্কে বিশ্লেষণ আগবঢ়াওক।

(d) জ্যোতিপ্ৰসাদৰ নাটকসমূহৰ মাজত তেওঁৰ জীৱনদৰ্শন কেনেদৰে পৰিস্ফুট হৈছে, বিশ্লেষণ কৰক।

(e) 'বুৰঞ্জীপাঠ' নাটকখনৰ সংলাপ সম্পৰ্কে উদাহৰণসহ বহলাই আলোচনা আগবঢ়াওক।

(f) 'হাতী আৰু ফান্দী' নাটকখনৰ মাজেদি শোষিত শ্ৰেণীৰ ক্ষোভ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰক।

★ ★ ★